**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। বিৰোধী পক্ষৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত লোকসভাৰ অধিৱেশনৰ কাম-কাজ আজি বিয়লি ২ বজালৈ স্থগিত ৰখা হয়।

২। বিজেপি নেতা য়ুমনাম খেমছান্দ সিঙে আজি বিয়লি লোকভৱনত মণিপুৰৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

৩। ছদিনীয়া ভ্ৰমণসূচীৰে ওড়িশালৈ যোৱা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি পুৱা পুৰীৰ জগন্নাথ মন্দিৰত পূজা-অৰ্চনা আগবঢ়ায়।

৪। দেশৰ ১০০ শতাংশ ৰেচন কাৰ্ড ডিজিটাইজ কৰা হৈছে আৰু ৯৯ শতাংশৰো অধিক কাৰ্ড আধাৰৰ সৈতে সংযোগ কৰা হৈছে।

আৰু

৫। অসমৰ ধেমাজি জিলাৰ চিলাপথাৰ আৰু ঢকুৱাখনাত অনুষ্ঠিত ৭৯ সংখ্যক ৰাষ্ট্ৰীয় সন্তোষ ট্ৰফি ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেল খেল দুখন কাইলৈ খেলোৱা হ'ব।

০০০০০০০

ভাৰত-আমেৰিকা বাণিজ্য চুক্তিকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত লোকসভাৰ অধিৱেশনৰ কাম-কাজ আজি বিয়লি ২ বজালৈ স্থগিত ৰখা হয়। প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত বিভিন্ন বিষয় লৈ শ্লোগান দি বিৰোধী সদস্যসকল সদনৰ মজিয়ালৈ উঠি আহে। বিৰোধী পক্ষৰ সাংসদসকলৰ আচৰণক লৈ উদ্বেগ প্ৰকাশ কৰি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই তেওঁলোকক সদনৰ শৃংখলা মানি চলিবলৈ অনুৰোধ জনায়। তেওঁলোকৰ এনে আচৰণে গণতন্ত্ৰ আৰু জনসাধাৰণৰ বিশ্বাসক দুৰ্বল কৰিব বুলিও অধ্যক্ষগৰাকীয়ে মত প্ৰকাশ কৰে। এনে পৰিস্থিতিৰ বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ মন্ত্ৰী পীয়ুষ গোৱেলে ভাৰত-আমেৰিকা বাণিজ্য চুক্তি সন্দৰ্ভত এটা বিবৃতি প্ৰকাশ কৰে। অধ্যক্ষগৰাকীয়ে বাৰম্বাৰ শান্ত হ'বলৈ আহ্বান জনোৱা সত্বেও বিৰোধী সাংসদসকলে বিভিন্ন শ্লোগানেৰে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাত অধ্যক্ষ শ্ৰীবিৰলাই বিয়লি ২ বজা পৰ্যন্ত সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰিবলৈ বাধ্য হয়।

ইয়াৰ পূৰ্বে দিনটোৰ আৰম্ভণিতে সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকালৰ আৰম্ভণি ঘোষণা কৰাত উপভোক্তা পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী নিমুবেন বাম্ভানিয়াই প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা সন্দৰ্ভত উত্থাপিত এটা প্ৰশ্নৰ উত্তৰ দিবলৈ চেষ্টা কৰে যদিও

বিৰোধী সাংসদসকলে হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰাৰ ফলত মন্ত্ৰীগৰাকীয়ে উত্তৰ দান সম্পূৰ্ণ কৰিব নোৱাৰিলে। এনে হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে অধ্যক্ষ শ্ৰীবিৰলাই সাংসদসকলক শান্তি-শৃংখলা ৰক্ষা কৰি সদনৰ কাম-কাজ সুকলমে চলাই নিবলৈ অনুৰোধ জনায় যদিও তেওঁলোকে এনে অনুৰোধ অগ্ৰাহ্য কৰাত সদনৰ কাম-কাজ ধাৰাবাহিকভাৱে ব্যাহত হয়। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষগৰাকীয়ে দিনৰ ১২ বজালৈ সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ooooooooo

বিজেপি নেতা য়ুমনাম খেমছান্দ সিঙে আজি বিয়লি লোকভৱনত মণিপুৰৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে।  য়ুমনাম খেমছান্দ সিঙক কালি বিজেপি বিধায়িনী দলৰ নেতা হিচাপে সৰ্বসন্মতি ক্ৰমে বাছনি কৰা হয়। শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে বিজেপিৰ কেন্দ্ৰীয় পৰ্যবেক্ষক তৰুণ চুগ আৰু মণিপুৰৰ দায়িত্বত থকা দলৰ নেতা সম্বিত পাত্ৰ আজি বিয়লি ইম্ফলত উপস্থিত হোৱাৰ কথা।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে পদত্যাগ কৰাৰ পাছত যোৱা বছৰ ফেব্ৰুৱাৰীৰ পৰাই মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ হৈ আছে।

oooooooo

ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাচিঅ' লুলা ডা ছিলভাৰ আসন্ন ভাৰত ভ্ৰমণে দ্ৰুত পৰিবৰ্তনশীল গোলকীয় পৰিস্থিতিৰ মাজত দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে। ভাৰতত থকা ব্ৰাজিলৰ ৰাষ্ট্ৰদূত কেনেথ এইচ ডা নব্ৰেগাই এই কথা প্ৰকাশ কৰি বাণিজ্য, প্ৰযুক্তি আৰু ভূ-ৰাজনীতিৰ ক্ষেত্ৰত দেশ দুখনৰ মাজৰ সহযোগিতাৰ উপৰত গুৰুত্ব আৰোপ কৰে। এটা সংবাদ প্ৰতিষ্ঠানৰ সৈতে হোৱা আচুতীয়া সাক্ষাতকাৰত, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰাজিল ভ্ৰমণ কৰাৰ এবছৰ নৌহওঁতেই ব্ৰাজিলৰ ৰাষ্ট্ৰপতি শ্ৰীলুলাৰ এই ভ্ৰমণত তাৎপৰ্যপূৰ্ণ হিচাপে আখ্যা দি ৰাষ্ট্ৰদূতগৰাকীয়ে কয় যে পাৰস্পৰিক সদিচ্ছাপূৰ্ণ এই ভ্ৰমণে দেশ দুখনৰ মাজৰ সম্পৰ্কৰ গভীৰতাৰ প্ৰতিফলন ঘটাইছে।

উল্লেখযোগ্য যে ব্ৰাজিলৰ ৰাষ্ট্ৰপতিগৰাকী ফেব্ৰুৱাৰীত ভাৰত ভ্ৰমণলৈ আহিব বুলি যোৱা জানুৱাৰী মাহত ঘোষণা কৰিছিল। গুৰুত্বপূৰ্ণ খণ্ডসমূহত সহযোগিতা বৃদ্ধিৰ লগতে পৰস্পৰৰ ৰাষ্ট্ৰীয় স্বাৰ্থক অগ্ৰাধিকাৰ প্ৰদানৰ বিষয়ত দুয়োখন দেশে সহমত পোষণ কৰা বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

ooooooooo

লোকসভাৰ পক্ষৰ নেতা ৰাহুল গান্ধীয়ে সংসদীয় নীতি মানি নচলা বুলি অভিযোগ কৰি সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে তেওঁক সমালোচনা কৰিছে। শ্ৰীৰিজিজুৱে কয় যে বিৰোধী নেতাগৰাকীয়ে ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ ক্ষেত্ৰত নিয়ম উলংঘা কৰি বক্তব্য আগবঢ়াবলৈ বিচাৰিছে। এনে কাৰ্যৰ জৰিয়তে শ্ৰীগান্ধীয়ে কেৱল সদনৰ সময় অপচয় কৰাই নহয়, বৰঞ্চ সদনত বক্তব্য আগবঢ়াবলৈ বিচৰা আন সাংসদসকলৰো সময় নষ্ট কৰিছে বুলি তেওঁ মত প্ৰকাশ কৰে।

oooooooo

অসমৰ শোণিতপুৰ জিলাৰ মিছামাৰীত আজিৰেপৰা ভাৰত আৰু কিৰ্গিস্তানৰ মাজৰ যুটীয়া সামৰিক অনুশীলন খঞ্জৰৰ ত্ৰয়োদশ সংস্কৰণ অনুষ্ঠিত হৈছে। এই ১৪ দিনীয়া অনুশীলনৰ জৰিয়তে দুয়োখন ৰাষ্ট্ৰৰ বিশেষ বাহিনীসমূহৰ মাজত পাৰস্পৰিক সমন্বয় বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। অনুশীলনৰ সময়ছোৱাত ৰাষ্ট্ৰসংঘৰ নিৰ্দেশনা অনুসৰি নগৰাঞ্চলকেন্দ্ৰিক ৰণকৌশল আৰু সন্ত্ৰাসবাদ বিৰোধী অভিযানত বিশেষ গুৰুত্ব

আৰোপ কৰা হ'ব। এই অনুশীলনে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক প্ৰতিৰক্ষা আৰু সামৰিক সহযোগিতা অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে। সামৰিক সূত্ৰই প্ৰকাশ কৰা মতে অনুশীলনৰ সময়ছোৱাত ভাৰতৰ আগশাৰীৰ পেৰাছুট ৰেজিমেণ্ট আৰু কিৰ্গিস্তানৰ স্ক'ৰপিয়ন ব্ৰিগেডে দূৰৰ পৰাই শত্ৰুপক্ষক আক্ৰমণ কৰা, অসামৰিক এলেকাত আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীক নিধন কৰা, পাহাৰীয়া এলেকাত অভিযান চলোৱাৰ কৌশল আৰু বিশেষ সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ দৰে উন্নত কৌশলৰ অনুশীলন কৰিব। ভাৰত আৰু কিৰ্গিস্তানে ২০১১ চনৰ পৰা প্ৰতিবছৰে যুটীয়া সামৰিক অনুশীলনৰ আয়োজন কৰি আহিছে।

০০০০০০০

দিনীয়া ভ্ৰমণসূচীৰে ওড়িশালৈ যোৱা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি পুৱা পুৰীৰ জগন্নাথ মন্দিৰত পূজা-অৰ্চনা আগবঢ়ায়। এই ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজ্যখনৰ মাহুলদিহি চৰকাৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰসিদ্ধ জনজাতীয় নেতা ভঞ্জবীৰ সোণাৰাম চোৰেণৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। তেওঁ বিদ্যালয়খনৰ মহাৰজত জয়ন্তী উদযাপন কাৰ্যসূচীত অংশ লৈ শিক্ষাৰ্থী আৰু শিক্ষকসকলৰ সৈতে মত বিনিময় কৰিব। শ্ৰীমতী মুৰ্মুৱে মাহুলদিহিত নৱনিৰ্মিত হলীডে হোম মুকলি কৰিব আৰু পূৰ্ণেশ্বৰ মহাদেৱ মন্দিৰত পূজা আগবঢ়াব। আজি বিয়লিৰ ভাগত তেওঁ গৃহ চহৰ ময়ুৰভঞ্জৰ ৰায়ৰংপুৰ কালেক্টৰেট ষ্টেডিয়ামত কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহৰ জৰিয়তে ৰাজ্যখনৰ স্বাস্থ্যসেৱা, শিক্ষা, ক্ৰীড়া, জনজাতি উন্নয়ন আৰু নগৰীয়া আন্তঃগাঁথনি উন্নত কৰাৰ লক্ষ্য লোৱা হৈছে। এই কাৰ্যসূচীসমূহত অংশ লৈ তেওঁ এখন জনসভাত ভাষণ দিব।

০০০০০০০০০

দেশৰ ১০০ শতাংশ ৰেচন কাৰ্ড ডিজিটাইজ কৰা হৈছে আৰু ৯৯ শতাংশৰো অধিক কাৰ্ড আধাৰৰ সৈতে সংযোগ কৰা হৈছে। লোকসভাত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ দপ্তৰৰ ৰাজ্য মন্ত্ৰী নিমুবেন বম্ভানিয়াই এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খাদ্য সুৰক্ষাত অগ্ৰাধিকাৰ দিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ জৰিয়তে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ ৮১ কোটিৰো অধিক হিতাধিকাৰীক বিনামূলীয়াকৈ খাদ্য সামগ্ৰী যোগান ধৰিছে। শ্ৰীমতী বম্ভানিয়াই এই আঁচনি বিশ্বৰ সৰ্ববৃহৎ খাদ্য সুৰক্ষা আঁচনি বুলি মন্তব্য কৰে। 'এখন ৰাষ্ট্ৰ, এখন ৰেচন কাৰ্ড' আঁচনি ৰূপায়ণৰ জৰিয়তে প্ৰব্ৰজনকাৰী শ্ৰমিকসকলেও দেশৰ যিকোনো প্ৰান্তৰ সুলভ মূল্যৰ দোকানৰ পৰা তেওঁলোকৰ প্ৰাপ্য খাদ্য সামগ্ৰী লাভ কৰিব পাৰে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। 'এখন ৰাষ্ট্ৰ, এখন ৰেচন কাৰ্ড' আঁচনিৰ অধীনত ২০১ কোটিতকৈও অধিকবাৰ এনেধৰণে শ্ৰমিকসকলে অন্য স্থানৰ পৰা সামগ্ৰী লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০০০

আজি বিশ্ব কৰ্কট দিৱস। কৰ্কট ৰোগ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ লগতে এই ৰোগত আক্ৰান্তসকলৰ সহনশীলতা বৃদ্ধি তথা ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ৰোগীৰ পৰিয়ালৰ সহযোগিতাৰ প্ৰতি সন্মান জনাই প্ৰতি বছৰে ৪ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। এইবছৰৰ বিশ্ব কৰ্কট ৰোগ দিৱসৰ মূল বিষয় হৈছে- United by Unique। দিৱস উপলক্ষে কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই কয়, যে কৰ্কট ৰোগত আক্ৰান্ত লোকসকলৰ প্ৰতি সহযোগিতা

আৰু এখন সুস্থ সমাজ গঢ়াৰ বাবে এই লোকসকলৰ নিয়মীত স্বাস্থ্য পৰীক্ষা নিশ্চিত কৰাৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে এই দিৱস পালন কৰা হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী নাড্ডাই কয়, যে প্ৰতিখন জিলাতে কৰ্কট ৰোগৰ সেৱা কেন্দ্ৰ স্থাপন আৰু এই ৰোগৰ ঔষধসমূহত সীমা শুল্ক ৰেহাই দিয়াৰ ফলত ৰোগী আৰু পৰিয়ালসমূহে সকাহ লাভ কৰিছে। আয়ুস্মান আৰোগ্য মন্দিৰসমূহে কৰ্কট ৰোগৰ বিৰুদ্ধে যুঁজখন শক্তিশালী কৰি তুলিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে এই কেন্দ্ৰসমূহত কৰ্কট ৰোগত আক্ৰান্তসকলৰ স্বাস্থ্য পৰীক্ষা, এই ৰোগ চিনাক্তকৰণ তথা চিকিৎসা নিৰ্দিষ্ট সময়ত  কৰাটো সম্ভৱ হৈ উঠিছে।

এই দিৱস উপলক্ষে আজি অসমৰ বিভিন্ন চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই বিশ্ব কৰ্কট ৰোগ দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত কৰ্কট ৰোগৰ আগতীয়া নিৰীক্ষণ, চিনাক্তকৰণ আৰু চিকিৎসাক অগ্ৰাধিকাৰ দিয়াৰ সংকল্প গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। ৰাজ্য চৰকাৰে কৰ্কট ৰোগৰ চিকিৎসা আৰ্হিৰ জৰিয়তে সমগ্ৰ অসমত উন্নত প্ৰযুক্তি, আগতীয়াকৈ ৰোগ চিনাক্তকৰণ আৰু সুলভ চিকিৎসা প্ৰদানৰ বাবে স্বাস্থ্য খণ্ডক বিকশাই তোলাৰ বাবে নিৰন্তৰ প্ৰয়াস চলাই আহিছে বুলি তেওঁ মন্তব্য কৰে।

oooooooo

অসমৰ ধেমাজি জিলাৰ চিলাপথাৰ আৰু ঢকুৱাখনাত অনুষ্ঠিত ৭৯ সংখ্যক ৰাষ্ট্ৰীয় সন্তোষ ট্ৰফি ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেল খেল দুখন কাইলৈ খেলোৱা হ'ব। চিলাপথাৰত দিনৰ ১১ বজাত আৰম্ভ হ'বলগীয়া প্ৰথমখন খেলত যোৱাবাৰৰ ৰানাৰ আপ কেৰালা দল পাঞ্জাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনখন খেল দিনৰ ডেৰ বজাৰ পৰা ৰেলৱে আৰু ছাৰ্ভিচেছৰ মাজত ঢকুৱাখনাৰ বিষ্টুৰাম দলে ক্ৰীড়া ক্ষেত্ৰত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে সন্তোষ ট্ৰফি ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত পাঞ্জাৱ দলটো ৮ বাৰকৈ চেম্পিয়ন আৰু ৰানাৰ আপ হোৱাৰ বিপৰীতে কেৰালা দলে ৭ বাৰ চেম্পিয়ন আৰু ৯ বাৰ ৰানাৰ আপৰ সন্মান লাভ কৰিছে। একেদৰে ছাৰ্ভিচেছ দলটো ৭ বাৰ চেম্পিয়ন আৰু ৫ বাৰ ৰানাৰ আপ হোৱাৰ বিপৰীতে ৰেলৱে দলে ৩ বাৰ চেম্পিয়ন আৰু ৬ বাৰ ৰানাৰ আপৰ সন্মান অৰ্জন কৰিছে।

ooooooooo

সমাপ্ত